*‘চিৰ চেনেহী মোৰ ভাষা জননী’*

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

(পঞ্জীয়ন নং : ২/২০০১-২০০২, দিনাংক : ০৭-০৭-২০০১, অসম সাহিত্য সভা)

কাৰ্যালয় :: সাৰ্বজনীন কেন্দ্ৰ, নুমলীগড় শোধনাগাৰ নগৰাঞ্চল, গোলাঘাট - ৭৮৫ ৬৯৯

দূৰভাষ : ০৩৭৭৬-২৭৫০৬০ ::: ফেক্স : ০৩৭৭৬-২৬৫৫১৪

ই-মেইল : nssss.numaligarh@gmail.com

ৱেব্‌চাইট : www.nssss.org

তাৰিখ : ২১/০৫/২০১৩ ইং

## গোহাৰি

ইয়াৰ জৰিয়তে নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ মাননীয় সমূহ সদস্য / সদস্যাক অতি আনন্দেৰে জনাব বিছাৰিছো যে অসম সাহিত্য সভাই, নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সহযোগত, গীতি-কবি পাৰ্ৱতিপ্ৰসাদ বৰুৱা স্মৃতিদিৱসটি ০৭ জুন, ২০১৩ তাৰিখ শুক্ৰবাৰে দিনযোৰা কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে নুমলীগড় শোধনাগাৰ উপনগৰীত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

অসম সাহিত্য সভাৰ এই সিদ্ধান্তক নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাই উষ্ম আদৰণি জনাইছো আৰু এই সুযোগতে আপোনালোকৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰে স্মৃতিদিৱসটি সাফল্যমণ্ডিত কৰি তুলিবলৈ বিনম্ৰ অনুৰোধ জনালোঁ।

স্মৃতিদিৱসৰ লগত সংগতি ৰাখি নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ ফালৰ পৰা তিনিটা শাখাত, শাখাৰ বিপৰীতে উল্লেখ কৰা বিষয়ৰ ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

| | |
|---|---|
| ক শাখা (পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ) | : পাৰ্ৱতিপ্ৰসাদ বৰুৱা |
| খ শাখা (অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) | : গীতি-কবি পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ কৰ্মৰাজি। |
| গ শাখা (একাদশ শ্ৰেণীৰ পৰা সকলোৰে বাবে মুকলি) | : গীতি-কবি পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু অসমীয়া সাহিত্য, কলা-সংস্কৃতিলৈ তেখেতৰ অৱদান। |

ৰচনাসমূহ ০২ জুন, ২০১৩ তাৰিখৰ ভিতৰত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদকৰ হাতত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল। সাহিত্য, কলা-সংস্কৃতি প্ৰেমী সকলোৰে অংশগ্ৰহণ আমি আন্তৰিকতাৰে কামনা কৰিলোঁ।

ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ্ৱতিপ্ৰসাদৰ গীতৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। এল, কে, জিৰ পৰা দশম শ্ৰেণীলৈ তিনিটা ভাগত অনুষ্ঠিত হ'বলগীয়া উক্ত প্ৰতিযোগিতাৰ সবিশেষ পৰৱৰ্তী সময়ত জনোৱা হ'ব। ধন্যবাদেৰে। ইতি,

ভৱদীয়,

সংগম পঞ্চানন

সম্পাদক

(যোগাযোগ নং : ৩৩২৪/৬২১০/৯৪৩৫১৫১৮১১)